আছে, তাৰ আভাস দিয়া হওক ঃ

## ১.৩.১ পুতলা নাচ ঃ

পুতলা নাচৰ ইতিহাস অতি প্ৰাচীন। কালিকা পুৰাণৰ ৮৯ তম অধ্যায়ত দেৱী চণ্ডিকাক ‘ পাঞ্চালিকা বিহাৰে ’ৰে তুষ্ট কৰিব দিয়া নিৰ্দেশে অসমত একাদশ শতিকাৰ পূৰ্বৰেপৰা পুতলা নাচৰ প্ৰচলন থকাৰ ইঙ্গিত দিয়ে। মহাভাৰতৰ ‘বনপৰ্ব’ আৰু উদ্যোগ পৰ্বতো পুতলানাচৰ উল্লেখ পোৱা যায়। কথা সৰিৎ সাগৰ , ভাগৱত আদিতো ‘পুত্তলিকা’ অভিনয়ৰ উল্লেখ পোৱা যায়। এনে উল্লেখে ইয়াৰ জনপ্ৰিয়তাৰ কথাকে সূচায়। শ্ৰীমন্ত শংকৰদেৱেও ৰাস ক্ৰীড়াত পুতলা নাচৰ কথা এইদৰে প্ৰকাশ কৰিছেঃ

“ভকতৰ পদে দেখাই মনুষ্য চেষ্টাক।
গোপীৰ নাছন্ত যেন ছায়া পুতলাক।।”

প্ৰাচীন কালৰ জন বিনোদনৰ এই অনুষ্ঠানটো এতিয়াও কামৰূপ-নলবাৰীৰ কোনো কোনো ঠাইত প্ৰচলিত হৈ থকা দেখা যায়। ইয়াৰ একোটা দলত ৫/৬ জনমান শিল্পী থাকে। এজন পুতলা নচুৱা সূত্ৰধাৰ, এজন নৃত্য-গীতত পটু বায়ন, এজন দাইনাপালি আৰু দুজন পালি। সূত্ৰধাৰে মঞ্চৰ আঁৰত থাকি সূক্ষ্ম ৰচি টানি পুতলাবোৰ নচুৱায় আৰু লগে লগে পেঁপা বজাই পুতলাৰ বিভিন্ন অৱস্থাত বিভিন্ন মাত উলিয়াই সিহঁতক প্ৰয়োজন মতে হ হুৱায় , কন্দুৱায় আৰু যুদ্ধ কৰায়। [৯] বায়নজনে বিশেষ ধৰণৰ সাজ পৰিধান কৰি হাতত চোঁৱৰ লৈ নাচি নাচি পালিকেইজনৰ সহযোগত হাতৰ মুদ্ৰাৰে গীত-পদ লগাই দিয়ে; লগতে মঞ্চত থকা পুতলাৰ কাৰ্যকলাপ দৰ্শকক বুজাই দিবৰ বাবে ছেগ চাই দাইনা-পালিৰ লগত কথাবাৰ্ত্তা হৈ সেইবোৰ ব্যাখ্যা কৰে। পুতলা নাচৰ কাহিনীটো গীত- পদৰ মাজেৰেও প্ৰকাশিত হয়। আদিৰসৰ প্ৰাধান্য থকা পুতলা নাচক ‘পাঞ্চালিকা বিনোদ’ বোলা হয়।

## পুতলা নাচৰ প্ৰকাৰ

ভাৰতৰ অন্যান্য ঠাইৰ দৰে অসমতো দুই শ্ৰেণীৰ **পুতলা নাচ**ৰ প্ৰচলন আছে বুলি জনা যায়। তাৰোপৰি হাত পুতলা আৰু মাৰি পুতলাৰ ঠাই বিশেষে প্ৰচলন দেখা যায়।

১. কাঠ পুতলা

২. ছায়া পুতলা

৩. হাত পুতলা,

৪. মাৰি পুতলা,

## ১.৩.৩ কুশাণ গান ঃ

নৃত্য-গীত আৰু সংলাপেৰে পৰিপুষ্ট কুশাণ গান গোৱালপাৰা অঞ্চলৰ পুৰণি লোক নাট্যধৰ্মী অনুষ্ঠান। চৈধ্য-পোন্ধৰজন শিল্পীৰে গঠিত এই দলটোত ৰামায়ণৰ কাহিনী প্ৰদৰ্শন কৰা হয়। প্ৰকাশৰ মাধ্যম প্ৰধানকৈ গীত আৰু নৃত্য যদিও কাহিনীৰ অংশ বিশেষ অভিনয় কৰিও দেখুওৱা হয়। দলটোৰ মুখ্যজনক 'মূল' বা 'গীতাল' বোলে। ইয়াৰ উপৰি, দলটোত এজন 'দোৱাৰী' (দোহাৰী), কেবাজনো 'পাইল্' (পালি), বাইন্ (বায়ন) আৰু চেংড়া(নৃত্য কৰা ল'ৰা) থাকে। ইয়াৰ গীতালজন ওজাপালিৰ ওজাজনৰ দৰে। সেইদৰে, দোৱাৰীজন দাইনাপালিৰ নিচিনা। বৃত্তাকাৰ পদ্ধতিৰে এই অনুষ্ঠান উদ্‌যাপিত হয়।

## ১.৩.৪ ভাৰী গান

গোৱালপাৰা অঞ্চলৰ আন এটা উল্লেখযোগ্য লোক অনুষ্ঠান হ'ল ভাৰীগান। ইয়াক 'ভাওগান' নামেৰেও জনা যায়। দলটোত এজন মূল আৰু কেবাজনো পালি থাকে। মূলজনে হাতত চোঁৱৰ লৈ গীত গায় আৰু পালিসকলে সেই গীতৰ লগত খোল, তাল বজাই সহযোগ কৰে। এওঁলোক একে ঠাইতে থিয় হৈ বজোৱাৰ নিয়ম। ভাৰী গানত অংগী- ভংগী আছে ; কিন্তু সংলাপৰ প্ৰয়োগ খুব কম। সেইদৰে , নৃত্য বুলিবলৈ 'মূল'ৰ নাটকীয় ভঙ্গীৰ বাহিৰে আন একো নাই।

ভাৰী গানত সীতা হৰণ আৰু ৰাম-ৰাৱণৰ যুদ্ধই বিষয়বস্তু হিচাপে ঠাই পাইছে। মূল চৰিত্ৰ ৰাম আৰু সীতাৰ বাহিৰে বাকী চৰিত্ৰবোৰে মুখাৰ ব্যৱহাৰ কৰে । তদুপৰি , মূল কাহিনীৰ লগত সম্পৰ্ক নথকা ' কেতুৱা' নামৰ চৰিত্ৰ এটাৰ সমাৱেশ দেখা যায়।[১১] একমাত্ৰ হাস্যৰস সৃষ্টিৰ বাবেই এই চৰিত্ৰটোক অন্তৰ্ভুক্ত কৰা হৈছে।

## ১.৩.৫ ঢুলীয়াঃ